# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-Nov-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

—————————————————————

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ জামুগুৰিহাটত নদুৱাৰ বিধানসভা সমষ্টিৰ বাবে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰে। জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা ক্ষেত্ৰ পকামূৰা পথাৰত আয়োজিত জনসভাত সমষ্টিটোৰ ৩১ হাজাৰ ৪৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰা হয়। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা ১ এপ্ৰিলত বিহালী সমষ্টিত শুভাৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান ৰাজ্যৰ সকলোবোৰ সমষ্টিত ৰূপায়ণ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

**বাইট (চি এম)**

ৰাজ্যৰ মহিলাসকলে কৰ্মপ্ৰেৰণাৰে কৰ্ম সংস্কৃতিৰ সৃষ্টি কৰিছে বুলি কৰি তেওঁ কয়, যে আত্মসহায়ক গোটসমূহ গঠন হোৱাৰ পাছত ৰাজ্যৰ মহিলাসকলে বিত্তীয় লেনদেনৰ ক্ষেত্ৰত অভিজ্ঞতা অৰ্জন কৰাৰ লগতে বিভিন্ন কাম-কাজত স্বাৱলম্বী হৈছে। এই আঁচনিখনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত মহিলাসকলক ক্ৰমে ২৫ আৰু ৫০ হাজাৰ টকা প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই আঁচনিখন সফলভাৱে ৰূপায়ণৰ বাবে তেওঁ এশটা সমষ্টি ভ্ৰমণ কৰি মহিলাসকলক একোগৰাকী উদ্যমী হিচাপে গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। আজিৰ সভাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক পদ্ম হাজৰিকাৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীয়ে গহপুৰত প্ৰস্তাৱিত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৮ নৱেম্বৰত বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে এই সভাৰ প্ৰস্তুতিৰ বুজ লৈ যাৱতীয় নিৰ্দেশনা দিয়ে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। যোৱা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে। আজি ৰাসৰ নাট পৰম্পৰাৰ বৰ আখৰা অনুষ্ঠিত হৈছে।

মাজুলীৰ অৰ্ধ শতাধিক ৰাস মঞ্চত আজি কলা-কুশলীসকলে ৰাসৰ নাটৰ বৰ আখৰা আৰম্ভ কৰিছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত কাইলৈ, পৰহিলৈ আৰু অহা ৬ নৱেম্বৰত কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটিকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ অন্তত ডিচেম্বৰৰ ১০ তাৰিখৰ ভিতৰতে অভিযোগনামা দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ প্ৰকাশ কৰিছে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, যে এই অভিযোগনামা ১৭ ডিচেম্বৰৰ পূৰ্বে দাখিল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও ৮ তাৰিখৰ ভিতৰতে এই অভিযোগনামা দাখিলৰ বাবে মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিছে। অভিযোগনামা দাখিল প্ৰক্ৰিয়াত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অনুমোদন প্ৰয়োজন হোৱা হেতুকে মুখ্যমন্ত্ৰীয়ে কালি এই অনুমোদনৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে নতুন দিল্লীত আলোচনা কৰে বুলিও জানিবলৈ দিয়ে।

ইপিনে আজিও অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে কেইবাগৰাকীও লোকৰ সাক্ষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰ আজি পুনৰ সাক্ষ্য লোৱা হয়। একেদৰে সাংবাদিক তথা ইউটিউবাৰ চক্ৰপাণি পৰাশৰৰো আজি আৰক্ষীয়ে সাক্ষ্য গ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কৰ্মচাৰী সন্থাৰ আহ্বান মৰ্মে আজিৰে পৰা স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে ৰাজ্যজুৰি ধৰ্মঘট কাৰ্যসূচী আৰম্ভ কৰিছে। কৰ্মচাৰীসকলৰ সংশোধিত দৰমহাৰ হাৰ বলৱৎ কৰি বেতন সুৰক্ষাসহ দৰমহা আয়োগ আৰু উচ্চতম ন্যায়ালয়ৰ ৰায় অনুযায়ী সম-কামৰ বিপৰীতে সম-দৰমহা আৰু সম-অধিকাৰ প্ৰদানৰ দাবীত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে ২০২১ চনত অসম ৰাজপত্ৰৰ জাননী অনুযায়ী সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱাকৈ ৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীৰ সমহাৰত স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলৰো পেঞ্চন, মৃত্যু পৰৱৰ্তী সা-সুবিধা আৰু অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰাৰ বাবেও ধৰ্মঘটৰ জৰিয়তে কৰ্মচাৰীসকলে চৰকাৰক আহ্বান জনাইছে। বজালী জিলাত এই উদ্দেশ্যেৰে ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শনেৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ডিব্ৰুগড় জিলাতো যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত স্বাস্থ্য কৰ্মীসকলে ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। গোৱালপাৰাতো ছদিহ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয় প্ৰাংগণত স্বাস্থ্য কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। বিশ্বনাথ জিলা আৰু চৰাইদেউ জিলাৰ সদৰ সোণাৰীতো একেদৰে আজিৰে পৰা তিনিদিনীয়াকৈ ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। ধেমাজি, দৰং, ওদালগুৰি জিলাতো ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ বাবে ধৰ্মঘটত অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত